**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 27-06-2025 **Time :** 1340 Hrs.

## *Assamese Midday Bulletin*
## *HEADLINES*

১। অতিক্ষুদ্ৰ, ক্ষুদ্ৰ আৰু মধ্যমীয়া উদ্যোগ এম এছ্ এম ই খণ্ড দেশৰ দীৰ্ঘস্থায়ী অৰ্থনৈতিক বিকাশৰ বাবে অপৰিহাৰ্য খণ্ড বুলি ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে উল্লেখ কৰিছে।

২। ওড়িশাৰ পৱিত্ৰ ৰথযাত্ৰা আজি আৰম্ভ হ'ব। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে পৱিত্ৰ জগন্নাথ ৰথ যাত্ৰাৰ বাবে দেশৰ জনসাধাৰণক শুভেচ্ছা জ্ঞাপন কৰিছে।

৩। ভাৰতৰ চেনী উৎপাদন অহা বছৰ ১৫ শতাংশ বৃদ্ধি হৈ প্ৰায় চাৰে তিনি কোটি টনলৈ বৃদ্ধি হোৱাৰ সম্ভাৱনা আছে।

৪। তেল আৰু প্ৰাকৃতিক গেছ নিগম লিমিটেডে অসমৰ শিৱসাগৰৰ খাৰুৱা তেল কূপটোৰ পৰা হোৱা গেছ নিৰ্গমন ৰোধ কৰিবলৈ সক্ষম হৈছে।

*আৰু*

৫। মহিলাৰ হকী ইণ্ডিয়া মাষ্টাৰ্ছ কাপ প্ৰতিযোগিতাৰ ফাইনেলত আজি ওড়িশা পঞ্জাবৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০০০০০

অতিক্ষুদ্ৰ ক্ষুদ্ৰ আৰু মধ্যমীয়া উদ্যোগ চমুকৈ এম এছ্ এম ই খণ্ড দেশৰ দীৰ্ঘস্থায়ী অৰ্থনৈতিক বিকাশৰ বাবে অপৰিহাৰ্য খণ্ড বুলি ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে উল্লেখ কৰিছে। নতুন দিল্লীত আজি আন্তঃৰাষ্ট্ৰীয় এম এছ্ এম ই দিৱস উপলক্ষে আয়োজিত এটা অনুষ্ঠানত ভাষণ দি শ্ৰীমতী মুৰ্মুৱে কয়, যে দেশৰ বিকাশত এই খণ্ডটোৱে এটা গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। তেওঁ কয়, যে এই খণ্ডটোৱে দেশৰ মুঠ ঘৰুৱা উৎপাদনত ৩০ শতাংশ অৱদান আগবঢ়োৱাৰ লগতে নিৰ্মাণ খণ্ডত ৩৬ শতাংশ আৰু ৰপ্তানিৰ ক্ষেত্ৰত ৪৫ শতাংশ অৱদান আগবঢ়াইছে। তেওঁ লগতে কয়, যে এম এছ্ এম ই খণ্ডটোৱে দেশৰ মুঠ ঘৰুৱা উৎপাদনৰ ক্ষেত্ৰত অৱদান আগবঢ়োৱাৰ লগতে তৃণমূল পৰ্যায়ত উদ্ভাৱনক উদগণি যোগোৱাৰ ক্ষেত্ৰতো গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। শ্ৰীমতী মুৰ্মুৱে প্ৰকাশ কৰে, যে এম এছ্ এম ই খণ্ডটোৱে গ্ৰামীন আৰু পিছপৰা অঞ্চলসমূহত নিয়োগৰ সুযোগৰ সৃষ্টি কৰিছে আৰু দুৰ্বল শ্ৰেণীৰ সৱলীকৰণত সহায় কৰাৰ লগতে তেওঁলোকৰ সৰ্বাত্মক বিকাশৰ ক্ষেত্ৰতো গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। তেওঁ লগতে কয়, যে কৃষিৰ পাছতে দেশত চাকৰিৰ সুযোগ সৃষ্টি কৰাৰ ক্ষেত্ৰত এম এছ্ এম ই দ্বিতীয় স্থানত আছে।

০০০০০০০০০

ওড়িশাৰ পৱিত্ৰ ৰথযাত্ৰা আজি আৰম্ভ হ'ব। পৰম্পৰা অনুসৰি ৰথযাত্ৰাৰ প্ৰাৰম্ভিক কাম-কাজ আজি পুৱা আৰম্ভ হৈছে যদিও বিভিন্ন ধৰ্মীয় ৰীতি-নীতিৰ মাজেৰে বিয়লি ৪ বজাত এই ৰথ যাত্ৰা আনুষ্ঠানিকভাৱে আৰম্ভ হ'ব। আজি ভগৱান জগন্নাথ, দেৱী সুভদ্ৰা আৰু ভগৱান বলভদ্ৰই ৯ দিনৰ বাবে ৰথযাত্ৰাৰ জৰিয়তে জগন্নাথ মন্দিৰৰ পৰা গুন্দিছা মন্দিৰলৈ যাব। দ্বাদশ শতিকাত নন্দী ঘোষ, তালধবজ আৰু দৰ্প দলন নামৰ তিনিখন ৰথৰ জৰিয়তে মন্দিৰৰ সিংহদ্বাৰৰ পৰা প্ৰথমবাৰৰ বাবে এই তিনিগৰাকী হিন্দু দেৱতাই গুন্দিছা মন্দিৰলৈ গৈছিল বুলি বিশ্বাস কৰা হয়। ৰীতি অনুসৰি ভগৱান বলভদ্ৰই তালধবজ ৰথেৰে প্ৰথমে যাত্ৰা কৰিব। ইয়াৰ পাছতে দৰ্পদলন ৰথত দেৱী সুভদ্ৰাই আৰু শেষত নন্দীঘোষ ৰথেৰে ভগৱান জগন্নাথে যাত্ৰাত ভাগ ল'ব। এই বিশ্ব বিখ্যাত ৰথ যাত্ৰা স্বচক্ষে প্ৰত্যক্ষ কৰাৰ উদ্দেশ্যে পুৰীত হাজাৰ হাজাৰ ভক্ত সমবেত হৈছে। পুৰীৰ গ্ৰেণ্ড ট্ৰাংক ৰোডত হ'বলগীয়া এই ৰথযাত্ৰা সুকলমে সম্পন্ন কৰাৰ বাবে পুৰীৰ প্ৰশাসন আৰু আৰক্ষী বিভাগে যাৱতীয় প্ৰস্তুতি সম্পূৰ্ণ কৰি তোলা বুলি আমাৰ সংবাদদাতাই জানিবলৈ দিছে।

০০০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে পৱিত্ৰ জগন্নাথ ৰথ যাত্ৰাৰ বাবে দেশৰ জনসাধাৰণক শুভেচ্ছা জ্ঞাপন কৰিছে। সামাজিক মাধ্যমত দিয়া এটা বাৰ্তাত শ্ৰী মোদীয়ে বিশ্বাস আৰু ভক্তিৰ এই পৱিত্ৰ উৎসৱে সকলোৰে জীৱনলৈ সুখ, সমৃদ্ধি, সৌভাগ্য আৰু সুস্বাস্থ্য কঢ়িয়াই আনিব বুলি আশা প্ৰকাশ কৰিছে।

০০০০০০০০০

১৯৭৫ চনৰ জৰুৰীকলীন পৰিস্থিতি দেশ আৰু সমাজৰ মনোবল ভাগি পেলোৱাৰ বাবে বলৱৎ কৰা হৈছিল বুলি বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ জয়শংকৰে প্ৰকাশ কৰিছে। দেশৰ জৰুৰীকালীন অৱস্থাৰ ৫০ বছৰ সম্পূৰ্ণ হোৱাৰ পৰিপ্ৰেক্ষিতত আজি নতুন দিল্লীত আয়োজিত এটা অনুষ্ঠানত ভাষণ দি মন্ত্ৰীগৰাকীয়ে কয়, যে এই অৱস্থাই স্বাধীনতাক যে, কেতিয়াও সহজভাৱে ল'ব নালাগে সেই কথাই দেশৰ জনসাধাৰণক অনুধাৱন কৰাইছিল। শ্ৰী জয়শংকৰে কয়, য যেতিয়া দেশতকৈ অধিক পৰিলায়ক অগ্ৰাধিকাৰ দিয়া তেতিয়া এনেধৰণৰ জৰুৰীকালীন অৱস্থাপন সৃষ্টি হয়। তেওঁ লগতে কয়, যে দুবছৰৰ জৰুৰীকালীন অৱস্থাৰ সময়ছোৱীত পাঁচবাৰ সংবিধানৰ সংশোধন ঘটোৱা হৈছিল আৰু ৪৮ অধ্যাদেশখন জাৰি কৰা হৈছিল।

০০০০০০০০০

কেন্দ্ৰীয় বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমণে নতুন দিল্লীত আজি বিভিন্ন ক্ষেত্ৰত ৰাজহুৱা খণ্ডৰ বেংকসমূহৰ প্ৰদৰ্শন পৰ্যালোচনা কৰিবলৈ এখন বৈঠকত অধ্যক্ষতা কৰে। এই বৈঠকত বিত্ত ৰাজ্য মন্ত্ৰী পংকজ চৌধাৰী, বিত্তীয় সেৱা বিভাগৰ সচিব এম নাগাৰাজু আৰু ৰাজহুৱা খণ্ডৰ বেংকসমূহৰ পৰিচালন সঞ্চালক আৰু মুখ্য কাৰ্যবাহী বিষয়াসকল উপস্থিত থাকে।

০০০০০০০০০

দেশৰ চেনী উৎপাদন অহা বছৰ ১৫ শতাংশ বৃদ্ধি হৈ প্ৰায় চাৰে তিনি কোটি টনলৈ বৃদ্ধি হোৱাৰ সম্ভাৱনা আছে। এটা ক্ৰেডিট ৰেটিং সংস্থাই প্ৰকাশ কৰা প্ৰতিবেদন অনুসৰি বৰ্ষা ঋতুৰ বাবে চেনীৰ উৎপাদন বৃদ্ধি পোৱাৰ আশা কৰা হৈছে। প্ৰতিবেদন অনুসৰি দেশৰ ৰাজ্য বিশেষকৈ মহাৰাষ্ট্ৰ আৰু কৰ্ণাটকত এই সময়ছোৱাত কুঁহিয়াৰৰ

খেতি যথেষ্ট ভাল হ'ব। প্ৰতিবেদনত এই বুলিও কোৱা হৈছে যে, যদি পৰিস্থিতি অনুকূল থাকে তেনেহ'লে চেনীৰ ৰপ্তানিও পুনৰ আৰম্ভ হোৱাৰ সম্ভাৱনা আছে।

০০০০০০০০০

তেল আৰু প্ৰাকৃতিক গেছ নিগম লিমিটেড অৰ্থাৎ ONGC য়ে অসমৰ শিৱসাগৰৰ খাৰুৱা তেল কূপটোৰ পৰা অবিৰামভাৱে নিৰ্গত গেছ নিৰ্গমন সফলতাৰে বন্ধ কৰিবলৈ সক্ষম হয় । পেট্ৰলিয়াম আৰু প্ৰাকৃতিক গেছ মন্ত্ৰী হৰদীপ সিং পুৰীয়ে ঘোষণা কৰে **১২** জুনৰ পৰা আৰম্ভ হোৱা এই গেছ নিৰ্গমন সকলো উত্তম পদ্ধতি অনুসৰণ কৰি কম সময়ৰ ভিতৰতে সফলতাৰে কেপিং সম্পন্ন হয়। তেওঁ অ'এনজিচিৰ সংকট ব্যৱস্থাপনা দল আৰু আন্তঃৰাষ্ট্ৰীয় কূপ নিয়ন্ত্ৰণ বিশেষজ্ঞসকলক এই সফল অভিযানৰ বাবে প্ৰশংসা কৰে। মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে যে এই অভিযানটো নিৰাপদভাৱে, কোনো ধৰণৰ আঘাত, হতাহতি বা অগ্নিকাণ্ডৰ সূত্ৰপাত অবিহনে সম্পন্ন কৰা হয়।

০০০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী বিশ্বৰ কচ্ছ সম্প্ৰদায়ৰ লোকসকলক কচ্ছ নৱবৰ্ষ **আষাঢ়ী বীজ**ৰ শুভেচ্ছা জনাইছে। সামাজিক মাধ্যমত দিয়া এটা বাৰ্তাত শ্ৰী মোদীয়ে কচ্ছ সম্প্ৰদায়ৰ ভাতৃ-ভগ্নীসকলৰ লগতে সকলোৰে সুখ-শান্তি, সমৃদ্ধি আৰু সু-স্বাস্থ্য কামনা কৰিছে।

০০০০০০০০০

ভাৰতে চীনৰ সৈতে সীমা নিৰ্ধাৰণৰ স্থায়ী সমাধানৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে আৰু ২০২০ চনৰ সীমা বিবাদৰ পাছত দুয়োখন ৰাষ্ট্ৰৰ মাজত সৃষ্টি হোৱা আস্থাহীনতা দূৰ কৰিবলৈ আহ্বান জনাইছে। নতুন দিল্লী মহলে ভাৰত-চীন সীমান্তত শান্তি আৰু সমৃদ্ধি বজাই ৰখাৰ প্ৰয়োজনীয়তাৰ ওপৰতো আলোকপাত কৰে। চীনত অনুষ্ঠিত হোৱা চাংহাই সহযোগিতা সংস্থাৰ প্ৰতিৰক্ষা মন্ত্ৰীসকলৰ বৈঠকৰ সময়তেই প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে চীনৰ প্ৰতিৰক্ষা মন্ত্ৰী এডমিৰেল ডং জুনৰ সৈতে দ্বিপাক্ষিক বৈঠকত মিলিত হয়। দ্বিপাক্ষিক সম্পৰ্কত স্বাভাৱিকতা ঘূৰাই অনাৰ বাবে দুয়োপক্ষই গ্ৰহণ কৰা পদক্ষেপক ৰাজনাথ সিঙে শলাগ লয়। তেওঁ এছিয়া আৰু বিশ্বৰ স্থিতিশীলতাৰ বাবে সহযোগিতা কৰা আৰু উত্তম পাৰস্পৰিক লাভালাভৰ বাবে ভাল চুবুৰীয়া পৰিস্থিতি সৃষ্টি কৰাৰ প্ৰয়োজনীয়তাৰ ওপৰতো গুৰুত্ব আৰোপ কৰে। বৈঠকত ৰাজনাথ সিঙে চীনৰ প্ৰতিৰক্ষা মন্ত্ৰীক শেহতীয়াকৈ পেহেলগাম সন্ত্ৰাসবাদী আক্ৰমণ আৰু পাকিস্তানত সন্ত্ৰাসবাদী আন্তগাঁথনি ভাঙি পেলোৱাৰ লক্ষ্যৰে ভাৰতৰ অপাৰেচন সিন্দুৰৰ বিষয়ে অৱগত কৰে।

০০০০০০০০০

ভাৰতে ৰাছিয়াৰ সৈতে এছ-৪০০ ব্যৱস্থা যোগান, ছু-৩০ এম কে আই উন্নীতকৰণ, আৰু নিৰ্ধাৰিত সময়সীমাৰ ভিতৰত গুৰুত্বপূৰ্ণ সামৰিক হাৰ্ডৱেৰ ক্ৰয়ৰ বিষয়ে আলোচনা কৰে। চীনৰ কুইংডাওত চলি থকা চাংহাই সহযোগিতা সংস্থাৰ প্ৰতিৰক্ষা মন্ত্ৰীসকলৰ বৈঠকৰ আহৰিত প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে ৰাছিয়াৰ প্ৰতিৰক্ষা মন্ত্ৰী আন্দ্ৰে বেলৌছভৰ সৈতে দ্বিপাক্ষিক বৈঠকত মিলিত হয় । দুয়োগৰাকী মন্ত্ৰীয়ে সাম্প্ৰতিক ভূ-ৰাজনৈতিক পৰিস্থিতি, সীমান্তৰ সিপাৰৰ সন্ত্ৰাসবাদ আৰু ভাৰত-ৰাছিয়াৰ প্ৰতিৰক্ষা সহযোগিতা আদি বিষয়ত গভীৰ আলোচনাত মিলিত হয় । বৈঠকত ৰাছিয়াৰ প্ৰতিৰক্ষা মন্ত্ৰীয়ে দীৰ্ঘদিনীয়া ভাৰত-ৰাছিয়াৰ সম্পৰ্কৰ ওপৰত আলোকপাত কৰি ভয়ংকৰ আৰু ঘৃননীয় পেহেলগাম সন্ত্ৰাসবাদী আক্ৰমণৰ ক্ষেত্ৰত ভাৰতৰ সৈতে সহমৰ্মিতা প্ৰকাশ কৰে।

০০০০০০০০০

নিৰ্বাচন আয়োগে অত্যাৱশ্যকীয় চৰ্ত পূৰণ নকৰাৰ বাবে ৩৪৫টা পঞ্জীয়নভুক্ত স্বীকৃতি বিহীন ৰাজনৈতিক দলৰ মৰ্যাদা কৰ্তন কৰাৰ প্ৰক্ৰিয়া আৰম্ভ কৰিছে। ২০১৯ চনৰ পৰা লোকসভাৰ নিৰ্বাচনৰ লগতে ৰাজ্যসভাৰ নিৰ্বাচন আৰু ৰাজ্য তথা কেন্দ্ৰীয় শাসিত অঞ্চলসমূহৰ বিধানসভা অথবা উপ নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা নকৰা দলসমূহক তালিকাৰ পৰা বাদ দিয়াৰ বাবে এই প্ৰক্ৰিয়া আৰম্ভ কৰা হৈছে।

০০০০০০০০০

মহিলাৰ হকী ইণ্ডিয়া মাষ্টাৰ্ছ কাপ প্ৰতিযোগিতাৰ ফাইনেলত আজি ওড়িশা পঞ্জাবৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন তামিলনাডুৰ চেন্নাইৰ মেয়ৰ ৰাধাকৃষ্ণণ হকী ষ্টেডিয়ামত দুপৰীয়া ২ বজাত আৰম্ভ হ'ব। প্ৰতিযোগিতাৰ মহিলা শিতানৰ তৃতীয় স্থান নিৰ্ধাৰণৰ বাবে অনুষ্ঠিত আজিৰ খেলত হাৰিয়ানাই আয়োজক তামিলনাডুক ৪-৩ পৰাস্ত কৰে। ইয়াৰ পূৰ্বে প্ৰথমখন ছেমি ফাইনেলত ওড়িশাই তামিলনাডুক ৪-১ গলত পৰাস্ত কৰিছিল। ইপিনে পঞ্জাবে দ্বিতীয়খন ছেমি ফাইনেলত হাৰিয়ানাৰ বিৰুদ্ধে ৩-২ গলত বিজয় সাব্যস্ত কৰি ফাইনেলত প্ৰৱেশ কৰিছিল।

পুৰুষৰ শিতানত তৃতীয় স্থান নিৰ্ধাৰণৰ বাবে আজি অনুষ্ঠিত হোৱা খেলত চণ্ডিগড়ে ওড়িশাক ২-১ গলত পৰাস্ত কৰে।

একেখন প্ৰতিযোগিতাৰ পুৰুষৰ শিতানৰ ফাইনেলত আজি বিয়লি ৪ বজাত তামিলনাডু মহাৰাষ্ট্ৰৰ মুখামুখি হ'ব। এইখন খেলো মেয়ৰ ৰাধাকৃষ্ণণ হকী ষ্টেডিয়ামত খেলোৱা হ'ব। পুৰুষৰ প্ৰথমখন ছেমি ফাইনেলত তামিলনাডুৱে চণ্ডীগড়ক ৩-০ আৰু দ্বিতীয়খন ছেমি ফাইনেলত মহাৰাষ্ট্ৰই ওড়িশাক ৪-১ গলত পৰাস্ত কৰিছিল।

০০০০০০০০০

সমাপ্ত